অসম

ধেমাজিত জনজাতীয় গৌৰৱ দিৱস উপলক্ষে ৪ দিনীয়া কার্যসূচী ঘোষণা

লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্রদান বৰুৱাই ১০ নৱেম্বৰৰ পৰা ১৮ নৱেম্বৰলৈ জনজাতীয় গৌৰৱ দিৱস উপলক্ষে বিভিন্ন কার্যসূচী ঘোষণা কৰিছে।

প্রকাশ: ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪৩



MP Pradan Barua (NewzNow)

ধেমাজি, ১১ নৱেম্বৰ: লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্রদান বৰুৱাই ১০ নৱেম্বৰৰ পৰা ১৮ নৱেম্বৰলৈ জনজাতীয় গৌৰৱ দিৱস উপলক্ষে বিভিন্ন কার্যসূচী ঘোষণা কৰিছে। বুধবাৰে ধেমাজিত অনুষ্ঠিত এখন সংবাদমেলত সাংসদগৰাকীয়ে এই কার্যসূচীৰ বিষয়ে সদৰী কৰে।

তেওঁ কয়, জনজাতীয় সমাজৰ উন্নয়ন আৰু বিকাশৰ লক্ষ্যৰে কেন্দ্রীয় চৰকাৰে বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছে। জনজাতীয় স্বাধীনতা সংগ্রামী বীৰছা মুণ্ডাৰ জন্মদিন ১৫ নৱেম্বৰ দেশজুৰি ২০২১ চনৰ পৰা জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰা হয়।

ব্রিটিছ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে বীৰছা মুণ্ডাই নেতৃত্ব দিয়া আন্দোলন আৰু জনজাতীয় সমাজৰ অৱদানক সন্মান জনোৱাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয় বুলি সাংসদগৰাকীয়ে উল্লেখ কৰে।

সংবাদমেলত তেওঁ জনজাতীয় অঞ্চলৰ উন্নয়নৰ বাবে ধৰিত্রী আবা জনজাতীয় গ্রাম উৎকর্ষ অভিযানৰ কথাও

উল্লেখ কৰে। তেওঁৰ দাবী অনুসৰি, এই আঁচনিৰ অধীনত পাঁচ বছৰত ১ লাখ ৩ হাজাৰ কোটি টকা আৱণ্টন দিয়া হৈছে। ২৫টা বিশেষ শিতানত কেন্দ্রীয় চৰকাৰৰ ১৭টা বিভাগে আঁচনিখন ৰূপায়ণ কৰি আছে।

ঘোষিত কার্যসূচী অনুসৰি ১৪ নৱেম্বৰত জনজাতীয় বৰেণ্য ব্যক্তিসকলৰ প্রতিমূর্তি থকা চৌহদ পৰিষ্কাৰ কৰা হ'ব। ১৫ নৱেম্বৰত বীৰছা মুণ্ডাক শ্রদ্ধাঞ্জলি জ্ঞাপন, ১৬ নৱেম্বৰত সাংস্কৃতিক অনুষ্ঠান আৰু ১৮ নৱেম্বৰত পাৰদর্শী জনজাতীয় ব্যক্তিসকলক সম্বর্ধনা জনোৱা হ'ব।

এই কার্যসূচীৰ জৰিয়তে জনজাতীয় সমাজৰ ইতিহাস, সংস্কৃতি, ঐতিহ্য আৰু সমাজলৈ আগবঢ়োৱা অৱদানক সন্মান জনোৱাৰ লগতে জনজাতীয় লোকসকলৰ উন্নয়নৰ বিষয়সমূহো চর্চালৈ অনাৰ লক্ষ্য লোৱা হৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2052/dhemaji-tribal-pride-week-programme